# ভাৰতৰ উচ্চতম ন্যায়ালয়

মহাৰাষ্ট্ৰ চৰকাৰ

বনাম

এছ. এইচ. মাৰুতি শ্ৰীপতি ডুবল

২৯ আগষ্ট, ১৯৯৬

(জি. এন. ৰায় আৰু জি. বি. পট্টানাইক, ন্যায়াধীশ)

দণ্ডসংহিতা, ১৮৬০:

এছ. ৩০৯-আত্মহত্যাৰ প্ৰচেষ্টা - আৰক্ষী কনিষ্টবলৰ পথ দুৰ্ঘটনা – মূৰত আঘাত- হৃদযন্ত্ৰত আঘাত- মানসিকভাৱে অসুস্থ হৈ পৰে –স্কিজ'ফ্ৰেনিয়াত আক্ৰান্ত হোৱা বুলি চিনাক্ত- -আত্মদাহৰ প্ৰচেষ্টা - আত্মহত্যাৰ চেষ্টা কৰাৰ গোচৰৰ সিদ্ধান্ত লোৱাৰ আগতে, তেওঁ ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ৩০৯-ৰ অধিকাৰক প্ৰত্যাহ্বান জনায়-উচ্চ ন্যায়ালয়ে ত্ৰুটিসমূহ দেখুৱাই দিছিল যে ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ৩০৯ সংবিধানৰ ১৪ আৰু ২১ নং অনুচ্ছেদৰ পৰিসৰৰ বাহিৰত আছিল-পৰৱৰ্তী সময়ত উচ্চতম ন্যায়ালয়ৰ এখন সাংবিধানিক বিচাৰপীঠে সেই সিদ্ধান্ত বাতিল কৰে- তেওঁ কষ্ট ভোগ কৰি থকা গুৰুতৰ ৰোগৰ কথা বিবেচনা কৰি, সুদীৰ্ঘ ১১ বছৰৰ বাবে আত্মহত্যাৰ চেষ্টা কৰাৰ অপৰাধৰ বাবে তেওঁৰ বিৰুদ্ধে চলি থকা ফৌজদাৰী গোচৰ আৰু অধিক দীঘলীয়া কৰাটো বাঞ্ছনীয় নহ'ব-ন্যায় প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবৰ বাবে তেওঁৰ বিৰুদ্ধে থকা ফৌজদাৰী গোচৰটো বাতিল কৰাৰ নিৰ্দেশ দিয়া হ'ল- ভাৰতৰ সংবিধান অনুচ্ছেদ ১৪, ১৯, ২১ আৰু ১৪২।

লোকেন্দ্ৰ সিং বনাম মধ্য প্ৰদেশ চৰকাৰ (১৯৯৬) ২ এছ. চি. চি. ৬৪৮ অনুসৰণ কৰা হৈছে আৰু শাস্তি সম্পৰ্কে ব্যাখ্যা কৰা হৈছে।

মাৰুতি শ্ৰীপতি ডুবল বনাম মহাৰাষ্ট্ৰ চৰকাৰ (১৯৮৭)চি আৰ এল। চি. জে. ৭৪৩, ইতিমধ্যে বাতিল কৰা হৈছে।

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰঃ ফৌজদাৰী আপীল নং ১৩০/১৯৮৭ চন।

১৯৮৬ চনৰ ২৪/২৫.০৯.৮৬ তাৰিখে ডব্লিউ. পি. নং ৬৪১ সংক্ৰান্তে ব'ম্বে উচ্চ ন্যায়ালয়ে দিয়া ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হৈছে

আপীলকাৰীৰ হৈ শিৱাজী এম. যাদৱ।

আদালতৰ দ্বাৰা নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিলঃ

এই আপীলটোৰ দ্বাৰা ১৯৮৬ চনৰ ৬৪১ নম্বৰৰ লেখ আবেদনৰ সংক্ৰান্তে ব'ম্বে উচ্চ ন্যায়ালয়ে ২৫.০৯.৯৬ তাৰিখে দিয়া ৰায় আৰু আদেশক প্ৰত্যাহ্বান জনোৱা হৈছে, যিয়ে ৰাজ্য চৰকাৰ বনাম মাৰুতি শ্ৰীপতি ডুবল গোচৰত ভাৰতীয় দণ্ডবিধিৰ ৩০৯ নং ধাৰাৰ বৈধতা সম্পৰ্কে প্ৰতিবাদী শ্ৰী মাৰুতি শ্ৰীপতি ডুবলৰ যুক্তি সমৰ্থন কৰিছিল। উত্তৰদাতা শ্ৰী ডুবল ব’ম্বে মহানগৰ আৰক্ষী বাহিনীৰ এজন আৰক্ষী কনিষ্টবল আছিল। ঘটনাৰ সময়লৈকে তেওঁ ১৯ বছৰ ধৰি কনিষ্টবল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৮১ চনত তেওঁ এক দুৰ্ঘটনাৰ সন্মুখীন হৈছিল আৰু মূৰত আঘাত পাইছিল আৰু এনে আঘাতৰ পৰা আৰোগ্য লাভ কৰিছিল যদিও তেওঁ মানসিকভাৱে অসুস্থ হৈ পৰিল আৰু সেই দিনালৈকে তেওঁ তেনেদৰেই আছিল। পৰামৰ্শদাতাই দিয়া যুক্তি অনুসৰি তেওঁ নিজৰ শৰীৰত কেৰাচিন ঢালি আৰু জুইশলা কাঠি জ্বলাই আত্মহত্যাৰ চেষ্টা কৰিছিল। আত্মহত্যাৰ চেষ্টাৰ গোচৰটোৰ ওপৰত আদালতে সিদ্ধান্ত লোৱাৰ পূৰ্বেই প্ৰতিবাদীয়ে লেখ আবেদনৰ জৰিয়তে ব’ম্বেৰ উচ্চ ন্যায়ালয়ত ভাৰতীয় দণ্ড সংহিতাৰ ৩০৯ নং ধাৰাৰ বৈধতাক প্ৰত্যাহ্বান জনায় আৰু

উক্ত বিবাদিত ৰায়দানত উচ্চ ন্যায়ালয়ে ৩০৯ নং ধাৰাটোৱে সংবিধানৰ ১৪ আৰু ২১ নং অনুচ্ছেদ উলংঘা কৰাৰ বাবে অসাংবিধানিক বুলি কয়।

৪৬১/৯৬ নং ফৌজদাৰী আপীল (লোকেন্দ্ৰ সিং বনাম মধ্যপ্ৰদেশ চৰকাৰ)ত ([১৯৯৬] ২ এছ চি চিৰ পৃষ্ঠা সংখ্যা ৬৪৮ ত উল্লেখ কৰা) আদালতৰ সাংবিধানিক বিচাৰপীঠে ১৯৯৬ চনৰ ২১ মাৰ্চ তাৰিখৰ ৰায়দানত, ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০৯ৰ বৈধতাক সমৰ্থন কৰিছে। ইয়াত উল্লেখ কৰা হৈছে যে এই ধাৰাটোৱে ভাৰতৰ সংবিধানৰ ১৪, ১৯, আৰু ২১ নং অনুচ্ছেদ উলংঘা নকৰে। ব'ম্বে উচ্চ ন্যায়ালয়ৰ বিবাদিত সিদ্ধান্তটো লোকেন্দ্ৰ সিঙৰ গোচৰ সংক্ৰান্তেও বিবেচনা কৰা হৈছিল কিন্তু মাৰুতি শ্ৰীপতিৰ গোচৰত ব'ম্বে উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তটো স্পষ্টভাৱে বাতিল কৰিছে। সেয়েহে, আপীলটোৰ অনুমতি দিব লাগে। ব’ম্বে উচ্চ ন্যায়ালয়ৰ বিবাদিত ৰায়টো বাতিল কৰা হ’ল।

অৱশ্যে, আমাৰ দৃষ্টিত এইটো প্ৰতীয়মান হয় যে ১৯৮৫ চনৰ ২৭ এপ্ৰিলত প্ৰতিবাদকাৰীৰ আত্মহত্যাৰ অভিযোগ উত্থাপন হৈছিল আৰু আইপিচিৰ ধাৰা ৩০৯ৰ সাংবিধানিক বৈধতাক প্ৰতিবাদকাৰীয়ে প্ৰত্যাহ্বান জনোৱাৰ বাবে এতিয়াও উক্ত গোচৰটোৰ বিচাৰ হোৱা নাই। যিহেতু এই আদালতৰ সাংবিধানিক বিচাৰপীঠে আইপিচিৰ ধাৰা ৩০৯ক সাংবিধানিকভাৱে বৈধ বুলি ৰায় দিছে, গতিকে আত্মহত্যাৰ চেষ্টাৰ অভিযোগ সম্পৰ্কীয় অপৰাধমূলক গোচৰটোৰ সিদ্ধান্ত এতিয়া ইয়াৰ গুৰুত্বৰ ওপৰত ল’ব লাগিব।

অভিযোগ অনুসৰি আত্মহত্যাৰ চেষ্টাৰ গোচৰটো ১১ বছৰতকৈও আগতে সংঘটিত হৈছিল। উচ্চ ন্যায়ালয়ৰ বিবাদিত ৰায়দানত উল্লেখ কৰা হৈছে যে পথ দুৰ্ঘটনাত মূৰত আঘাত পোৱাৰ পিছত প্ৰতিবাদীয়ে মানসিক অস্থিৰতা অনুভৱ কৰিছিল আৰু ১৯৮২ চনৰ জানুৱাৰী মাহৰ পৰা তেওঁ মানসিক চিকিৎসা গ্ৰহণ কৰিছিল।

১৯৯২ চনৰ জুলাই মাহত তেওঁ "মূৰ ঘূৰণি, ভয়, নিদ্ৰাহীনতা, বিভ্ৰান্তি  আদি ৰোগত আক্ৰান্ত বুলি চিনাক্ত কৰা হয়৷ ১৯৮২ চনৰ আগষ্ট মাহত, চিকিৎসকে প্ৰতিবাদীজন স্কিজোফ্ৰেনিয়াত আক্ৰান্ত বুলি চিনাক্ত কৰে৷ তেওঁ শ্ৰৱণ আৰু দৃষ্টি সংক্ৰান্তীয় মতিভ্ৰমতো ভুগিছিল। তেওঁক বৈদ্যুতিক শ্বকৰ দ্বাৰা চিকিৎসা প্ৰদান কৰা হৈছিল আৰু শক্তিশালী ট্ৰেংকুইলাইজাৰ দিয়া হৈছিল আৰু আনকি ব'ম্বে উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰাৰ সময়তো প্ৰতিবাদীজন শক্তিশালী ট্ৰেংকুইলাইজাৰ গ্ৰহণ কৰি আছিল।

লোকেন্দ্ৰ সিঙৰ গোচৰত সাংবিধানিক বিচাৰপীঠে ৰায় দিছিল যে ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ৩০৯ৰ  ভিতৰত থকা অন্তৰ্নিহিত নমনীয়তাৰ বাবে  ই ১৪ নং অনুচ্ছেদ উলংঘা নকৰে। আত্মহত্যাৰ চেষ্টাৰ সকলো ক্ষেত্ৰতে অসমতাপূৰ্ণভাৱে কঠোৰ শাস্তি প্ৰদান কৰাৰ পৰিৱৰ্তে অপৰাধৰ গুৰুত্ব অনুপাতে উপযুক্ত শাস্তি প্ৰদানৰ বাবে আদালতক প্ৰদান কৰা স্বাধীনতাই ভাৰতীয় দণ্ড সংহিতাৰ ৩০৯ ধাৰাক অত্যধিক কঠোৰ বুলি বিবেচনা কৰাৰ পৰা ৰক্ষণাবেক্ষণ দিয়ে৷ ইয়াৰ ফলত ইয়াক স্বেচ্ছাচাৰী আৰু অযুক্তিকৰ বুলি গণ্য কৰা নহয়। সাংবিধানিক বিচাৰপীঠে ইংগিত দিছে যে কোনো এক নিৰ্দিষ্ট গোচৰত ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ৩০৯ ৰ অধীনত কোনো অপৰাধৰ বাবে আনকি জৰিমনাও আৰোপ কৰিব পাৰি আৰু এনে ঘটনাৰ উল্লেখ কৰা হৈছে য'ত ভাৰতৰ আইন আদালতে আত্মহত্যাৰ চেষ্টা কৰা অপৰাধৰ বাবে অভিযুক্ত অভিযুক্তসকলক ন্যূনতম শাস্তি প্ৰদান কৰি ‘প্ৰবেশ্যন অৱ অফেন্দাৰছ এক্ট’ৰ উপকাৰিতাসমূহ লাভ কৰাৰ সুযোগ প্ৰদান কৰিছে।

প্ৰতিবাদীজনে সন্মুখীন হোৱা গুৰুতৰ ৰোগবোৰৰ কথা বিবেচনা কৰি, ইমান দীঘলীয়া সময়ৰ পিছত আত্মহত্যাৰ চেষ্টা কৰাৰ অভিযোগত অভিযুক্তৰ বিৰুদ্ধে আৰম্ভ কৰা অপৰাধমূলক গোচৰৰ বিচাৰ অব্যাহত ৰখাটো অবিবেচকৰ কাম হ’ব যেন

লাগে। গোচৰৰ তথ্যৰ ভিত্তিত বিচাৰৰ পিছত প্ৰতিবাদী দোষী সাব্যস্ত হ'লেও তেওঁৰ বিৰুদ্ধে অপৰাধৰ শাস্তি সন্দৰ্ভত তেওঁৰ প্ৰতি অতি সহানুভূতিশীল হোৱাটো বাঞ্ছনীয়। গোচৰটোৰ এনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি বিশ্বাস কৰোঁ যে ইমান দীঘলীয়া সময়ৰ পিছত পূৰ্বতে উল্লেখ কৰা অপৰাধৰ বাবে প্ৰতিবাদীক বিচাৰ কৰাটো অন্যায়। যুক্তিসংগত সন্দেহৰ আৱৰ্তৰ্ বাহিৰত গোচৰটো প্ৰমাণিত হ'লেও অভিযুক্তই নূন্যতম জৰিমনা ভৰাৰ শাস্তিহে লাভ কৰিব পাৰে। এই গোচৰত সম্পূৰ্ণ ন্যায় লাভৰ স্বাৰ্থত আমি প্ৰতিবাদীৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ খাৰিজ কৰাৰ নিৰ্দেশ দিওঁ।

আবেদন নাকচ কৰা হয়।

*অনুবাদঃ দিতিমণি গগৈ*

*স্পেচিয়েল অফিচাৰ*

*অনুবাদ শাখা*

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*“স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব।*

*সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”*